**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। বিজেপি সংসদীয় দলে পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰ সন্দৰ্ভত এটা প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।

২। পঞ্জাৱৰ বান পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বান পৰিস্থিতি পৰ্যালোচনাৰ বাবে কাইলৈ ৰাজ্যখনলৈ যাব।

৩। ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে অসমত বৰ্ণাঢ্য কাৰ্যসূচী আৰম্ভ হৈছে।

৪। উচ্চতম ন্যায়ালয়ে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ নিৰ্বাচন আয়োগৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই আজি এলানি আবেদনৰ শুনানী গ্ৰহণ কৰিব। *আৰু*

৫। পুৰুষৰ এছিয়া কাপ হকী চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰতে দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চতুৰ্থবাৰৰ বাবে খিতাপ জয় কৰে।

০০০০০

বিজেপি সংসদীয় দলে নতুন দিল্লীত আয়োজিত দুদিনীয়া কৰ্মশালাত কালি পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰ সন্দৰ্ভত এটা প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগমন্ত্ৰী পীযূষ গোৱেলে উত্থাপন কৰা এই প্ৰস্তাৱত বিজেপিৰ সাংসদসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই সাহসী তথা নাগৰিককেন্দ্ৰিক পদক্ষেপৰ বাবে শুভেচ্ছা জনায়। এই প্ৰস্তাৱত উল্লেখ কৰা মতে জি এছ্ টি সংস্কাৰে এই ব্যৱস্থাটো সৰলীকৰণ কৰি তুলিছে। ইয়াৰ ফলত খাদ্য আৰু ঔষধৰ উপৰি বৈদ্যুতিক সামগ্ৰীৰ দাম হ্ৰাস হৈছে। জি এছ টি পুনৰ সংস্কাৰে জনসাধাৰণৰ জীৱন উন্নত কৰা, ব্যৱসায়ীসকলৰ সৰলীকৰণ তথা ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ পথ শক্তিশালী কৰাৰ দিশত নৰেন্দ্ৰ মোদী চৰকাৰৰ লক্ষ্যক প্ৰতিফলিত কৰিছে বুলি প্ৰস্তাৱটোত উল্লেখ কৰা হৈছে।

ইপিনে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে নতুন দিল্লীত অনুষ্ঠিত বিজেপিৰ সাংসদসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী ভালদৰে চলি আছে বুলি প্ৰকাশ কৰিছে। কালি প্ৰথমদিনৰ কৰ্মশালাৰ সামৰণিৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীৰিজিজুৱে কয়, যে অতি সংগঠিতভাৱে আৰু পেচাদাৰীভাৱে আয়োজন কৰা এই কৰ্মশালাৰ সকলো প্ৰশিক্ষণ সত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকে। এন ডি এ সমৰ্থিত আন দলসমূহৰ সাংসদসকলে আজি কৰ্মশালাত যোগদান কৰিব বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পঞ্জাৱৰ বান পৰিস্থিতি পৰ্যালোচনাৰ বাবে কাইলৈ ৰাজ্যখনলৈ যাব। প্ৰধানমন্ত্ৰীয়ে ব্যক্তিগতভাৱে পৰিস্থিতি পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকললৈ পৰ্যাপ্ত সাহায্য নিশ্চিত কৰিব বুলি আশা কৰা হৈছে। পঞ্জাৱ বিজেপিৰ সভাপতি সুনীল জাখৰে সামাজিক মাধ্যমৰ এট বাৰ্তাত

প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ ভ্ৰমণৰ কথা নিশ্চিত কৰিছে। তেওঁ কয়, যে এই দুৰ্যোগক লৈ প্ৰধানমন্ত্ৰীগৰাকী গভীৰভাৱে চিন্তিত আৰু তেওঁ নিৰন্তৰ পৰিস্থিতি নিৰীক্ষণ কৰি আছে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে পঞ্জাৱৰ বান পৰিস্থিতি পৰ্যালোচনা কৰে। তদুপৰি দুটা কেন্দ্ৰীয় আন্তঃমন্ত্ৰ্যালয়ৰ দলেও বানত ক্ষয়-ক্ষতিৰ বুজ লয়।

উল্লেখযোগ্য যে পঞ্জাৱত বান পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হৈছে। ৰাজ্যখনত বানত বৰ্তমানলৈকে ৪৬ জন লোকৰ মৃত্যু হৈছে। এই বানত ৰাজ্যখনৰ প্ৰায় দুহেজাৰ গাঁৱৰ ৩ লাখ ৮৭ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যিক প্ৰশাসনে সেনা, সীমান্ত সুৰক্ষা বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ সহযোগত উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনৰ শতাধিক **মাই ভাৰত** স্বেচ্ছাসেৱকে বানত ক্ষতিগ্ৰস্ত জিলাসমূহত সহায়, সহযোগ কৰি আছে। বান পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক প্ৰশাসনে কাইলৈৰ পৰা কোনো কোনো জিলাত শৈক্ষিক প্ৰতিষ্ঠানসমূহত পাঠদান পুনৰ আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ৯৯ সংখ্যক জন্মদিন। একেধাৰে গায়ক, সুৰকাৰ, গীতিকাৰ, সংগীত পৰিচালক, চিত্ৰকৰ আৰু লেখক হিচাপে পৰিচিত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে অসম চৰকাৰে অভিনৱ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ ঠায়ে ঠায়ে কালিৰে পৰা বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি পুৱা ৯ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰে পৰা কাৰ্যসূচী অনুষ্ঠিত কৰিব। ইয়াৰ উপৰি দেশে বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপন উপলক্ষে অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীৰ খানাপাৰাত আয়োজিত কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব।

উল্লেখযোগ্য যে সাহিত্য আৰু সংস্কৃতি ক্ষেত্ৰত অসমৰ উপৰি দেশ-বিদেশত বহুলভাৱে সমাদৃত আৰু সন্মানিত ড০ ভূপেন হাজৰিকাই ১৯৯২ চনত ভাৰতৰ চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদাছাহেব ফাল্কে বঁটা লাভ কৰিছিল। ১৯৭৭ চনত তেওঁক পদ্মশ্ৰী, ২০০১ চনত পদ্মভূষণ, ২০১২ চনত মৰণোত্তৰভাৱে পদ্ম বিভূষণ আৰু ২০১৯ চনত মৰণোত্তৰভাৱে ভাৰত ৰত্ন সন্মানেৰে সন্মানিত কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৩ ছেপ্তেম্বৰত কিছুসময়ৰ বাবে মণিপুৰলৈ যাব। আকাশবাণী ইম্ফলৰ সংবাদদাতাই জনোৱা মতে প্ৰধানমন্ত্ৰীয়ে দুখন জনসভাত অংশ লোৱাৰ কথা। ইম্ফলৰ ৰাজভৱনত শ্ৰীমোদীৰ এই ভ্ৰমণ সন্দৰ্ভত কালি এখন বৈঠক অনুষ্ঠিত হয়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বিৰেণ সিং, মণিপুৰ বিধানসভাৰ অধ্যক্ষ থকছম সত্যব্ৰত সিং, মণিপুৰ প্ৰদেশ বিজেপিৰ সভাপতি তথা বিধায়ক অধিকাৰীমায়ুম সাৰদা দেৱী উপস্থিত থাকে।

বৈঠকত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া জনসভা তথা তেওঁ উদ্বোধন কৰিবলগীয়া প্ৰকল্প সন্দৰ্ভত আলোচনা কৰা হয়

০০০০০

উচ্চতম ন্যায়ালয়ে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনকলৈ নিৰ্বাচন আয়োগৰ ২৪ জুনৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই আজি এলানি আবেদনৰ শুনানী গ্ৰহণ কৰিব। ন্যায়াধীশ সূৰ্যকান্ত আৰু জয়মাল্য বাগচিৰ বিচাৰপীঠে ৰাষ্ট্ৰীয় জনতা দল, এ আই এম আই এমকে ধৰি অন্যান্য সকলৰ আবেদনৰ শুনানী গ্ৰহণ কৰিব। নিৰ্বাচন আয়োগে কৈছে যে ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ সময়ত ৭ কোটি ২৪ লাখ ভোটদাতাৰ ৯৯ দশমিক ৫ শতাংশই তেওঁলোকৰ যাৱতীয় তথ্যপাতি দাখিল কৰিছে। উচ্চতম ন্যায়ালয়ে নিৰ্বাচনৰ আয়োগৰ তালিকাৰ পৰা আঁতৰাই দিয়া ভোটদাতাসকলক তেওঁলোকৰ দাবীসমূহ দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি আজি স্বেচ্ছাসেৱী সংগঠন, ৰাজনৈতিক দলসমূহৰ আবেদনৰ শুনানী গ্ৰহণ কৰা হ'ব।

০০০০০

বিহাৰৰ ৰাজগিৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰতে কালি দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চতুৰ্থবাৰৰ বাবে খিতাপ জয় কৰে। এই জয়ৰ সুবাদত ভাৰতে নেডাৰলেণ্ডছ আৰু বেলজিয়ামত অহা বছৰ হ'বলগীয়া এফ আই এইচ হকী বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰে। ভাৰতে খেলখনৰ আৰম্ভণিতে সুখজিতৰ গ'লৰ সহায়ত প্ৰতিযোগিতাখনত আগবাঢ়ি থাকে। প্ৰথমাৰ্ধৰ সামৰণিৰ কিছু সময়ৰ পূৰ্বে খেলখনৰ ২৮ মিনিটত দিলপ্ৰীতে আনটো গ'ল দিয়ে। দিলপ্ৰীতে পুনৰ খেলখনৰ ৪৫ মিনিটত অধিনায়ক হৰমনপ্ৰীত সিং আৰু ৰাজিন্দৰৰ সুন্দৰ সহযোগিতাত তৃতীয়টো গ'ল দিয়ে ইয়াৰ পাছত খেলখনৰ ৫০ মিনিটত পেনাল্টি কৰ্নাৰৰ জৰিয়তে আন এটা গ'ল দি ভাৰতে ৪-০ৰ অগ্ৰগতি লাভ কৰে। দক্ষিণ কোৰিয়াই বহুদেৰিকৈ ছন ডেইনৰ পেনাল্টি কৰ্নাৰৰ জৰিয়তে একমাত্ৰ গ'লটো দিয়ে। অৱশ্যে তেতিয়ালৈ ভাৰতে খেলখনত বিজয় সুনিশ্চিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়া কাপত খিতাপ অৰ্জন কৰাৰ বাবে ভাৰতীয় হকী দলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ভাৰতে যোৱাবাৰৰ চেম্পিয়ন দক্ষিণ কোৰিয়াক পৰাজিত কৰি এই জয়ক বিশেষ কৰি তুলিলে। তেওঁ এয়া ভাৰতীয় হকী তথা ভাৰতীয় ক্ৰীড়াৰ বাবে অতি গৌৰৱৰ মুহূৰ্ত বুলি উল্লেখ কৰে। ইপিনে হকী ইণ্ডিয়াই দলটোৰ খেলুৱৈসকললৈ ৩ লাখ টকাকৈ প্ৰদানৰ কথা ঘোষণা কৰিছে। দলটোৰ সহকাৰী সদস্যসকলকো ডেৰ লাখ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০

সমাপ্ত